নং ঃ ৩৫৪/২০২১

জিএমচিএইচত নতুন কাৰ্ডিঅ’-নিউৰো চেণ্টাৰৰ নিৰ্মাণকাৰ্যৰ পৰ্যালোচনা মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

## গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ পেয়িং কেবিনৰ ঠাইত ২০০ বিচনাযুক্ত এটা নতুন পেয়িং কেবিন ব্লক নিৰ্মাণ কৰা হ’ব ঃ মুখ্যমন্ত্ৰী

## এনএলচিপিআৰ-অসম আৰু উত্তৰ-পূব পৰিষদৰ অনুদানপ্ৰাপ্ত আঁচনিসমূহৰ ৰূপায়ণৰো পৰ্যালোচনা মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ২২ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কইনাধৰাস্থিত ১ নং ৰাজ্যিক অতিথিশালাত আয়োজিত এক বৈঠকত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ, গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু লোক নিৰ্মাণ (গৃহ) বিভাগৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে চিকিৎসা মহাবিদ্যালয় হাস্পতালখনত নিৰ্মিয়মান নতুন কাৰ্ডিঅ’-নিউৰো চেণ্টাৰৰ নিৰ্মাণ কাৰ্যৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। এই নতুন চুপাৰ স্পেচিয়েলিটি চিকিৎসালয়খন অহা বছৰৰ ফেব্ৰুৱাৰী মাহৰ প্ৰথম সপ্তাহত মুকলি কৰা হ’ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে চিকিৎসালয়খন কাৰ্যকৰী হোৱাৰ পিছত কাৰ্ডিঅ’লজি, নিউৰো, কাৰ্ডিয়াক চাৰ্জাৰি আৰু নিউৰো চাৰ্জাৰি বিভাগকেইটা সম্পূৰ্ণৰূপে জিএমচিএইচৰ পৰা নতুন চিকিৎসালয়খনলৈ স্থানান্তৰ কৰা হ’ব।

প্ৰস্তাৱিত চিকিৎসালয়খনৰ পৰিচালনাৰ পদ্ধতি কৰ্মপন্থাৰ বিষয়ে যাৱতীয় দিক্ নিৰ্দেশনা প্ৰদান কৰি ড° শৰ্মাই কয় যে নতুন চিকিৎসালয়খন সম্পূৰ্ণৰূপে পেছাদাৰী পদ্ধতিৰে পৰিচালনা কৰাৰ লগতে ইয়াৰ কাম-কাজৰ প্ৰতিটো ক্ষেত্ৰতে উপলব্ধ প্ৰযুক্তিৰ সৰ্বোত্তম প্ৰয়োগ সুনিশ্চিত কৰিব লাগিব।

পৰ্যালোচনাকালত ড° শৰ্মাই গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ বৰ্তমানৰ পেয়িং কেবিনৰ ঠাইত ২০০ বিচনাযুক্ত এটা নতুন পেয়িং কেবিন ব্লক নিৰ্মাণ কৰা হ’ব বুলি উল্লেখ কৰাৰ লগতে ইয়াৰ নিৰ্মাণৰ বাবে যথাসম্ভৱ খৰতকীয়াকৈ যাৱতীয় পদক্ষেপ আৰম্ভ কৰিবলৈ লোক নিৰ্মাণ (গৃহ) বিভাগক নিৰ্দেশ দিয়ে।

আজিৰ এই পৰ্যালোচনাৰ সময়ত স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তও উপস্থিত আছিল।

ইয়াৰ পাছতে আন এখন বৈঠকত মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰূপান্তৰ আৰু উন্নয়ন বিভাগৰ জ্যেষ্ঠ বিষয়াসকলৰ উপস্থিতিত ৰাজ্যখনত ৰূপায়িত হৈ থকা ড’নাৰ মন্ত্ৰালয়ৰ অধীনৰ অপৰিশোধেয় কেন্দ্ৰীয়

উৎসৰ পুঁজি (এনএলচিপিআৰ) আৰু উত্তৰ-পূব পৰিষদ (এনইচি)ৰ অনুদানপ্ৰাপ্ত আঁচনিসমূহৰ ৰূপায়ণৰ স্থিতিৰ পৰ্যালোচনা কৰে। এই আঁচনিসমূহৰ ৰূপায়ণ নিৰীক্ষণ আৰু পৰ্যালোচনাৰ ক্ষেত্ৰত অধিক তৎপৰতা প্ৰদৰ্শন কৰিবলৈ তেওঁ ৰূপান্তৰ আৰু উন্নয়ন বিভাগক নিৰ্দেশ দিয়াৰ লগতে ৰূপায়ণৰ দায়িত্বত থকা বিভাগসমূহক নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত সকলো এনএলপিচিআৰ আৰু এনইচি-অনুদানপ্ৰাপ্ত প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰাৰ বাবে উপযুক্ত পদক্ষেপ ল'বলৈ তেওঁ আহ্বান জনায়।

উল্লেখযোগ্য যে বিভাগত সময়ছোৱাত মুঠ ৩৬৮০.০৩ কোটি টকাৰ বিত্তীয় আৱণ্টনেৰে ৰাজ্যখনৰ বাবে অনুমোদিত ৫৬২ টা এনএলচিপিআৰ-অসম প্ৰকল্পৰ ভিতৰত বৰ্তমান বিভিন্ন বিভাগৰ অধীনত ১৮৮ টা প্ৰকল্পৰ ৰূপায়ণৰ কাম চলি আছে। একেদৰে, ড'নাৰ মন্ত্ৰালয়ৰ অধীনত ৯০ঃ ১০ পুঁজি যোগানৰ আৰ্হিত ৰাজ্যখনত ১৫ টা বিভিন্ন বিভাগৰ অধীনত ২৭ টা এনইচি-অনুদানপ্ৰাপ্ত প্ৰকল্প ৰূপায়ণৰ বিভিন্ন পৰ্যায়ত আছে।

আজিৰ এই পৰ্যালোচনা বৈঠকত ৰূপান্তৰ আৰু উন্নয়ন বিভাগৰ অন্যান্য শীৰ্ষ বিষয়াসকলৰ লগতে বিভাগটোৰ অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ আৰু মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহাও উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**

**২২-১১-২০২১**